# বাজেট বক্তৃতা

১৯৭৭-৭৮

শ্ৰীশৰৎ চন্দ্ৰ সিংহ
মুখ্য মন্ত্ৰী, অসম

২৩ মাৰ্চ, ১৯৭৭

মাননীয় অধ্যক্ষ মহোদয়,

মই ১৯৭৭-৭৮ চনৰ বাৰ্ষিক বিত্তীয় হিচাপ দাঙি ধৰিব খুজিছো। ৰাজ্যখনৰ জনসাধাৰণৰ খৰতকীয়া সামাজিক আৰু অৰ্থনৈতিক উন্নতি সাধনৰ ক্ষেত্ৰত আৰু দৰিদ্ৰতা মোচনৰ অৰ্থে আমি আৰম্ভ কৰা সুদীৰ্ঘ অগ্ৰগতিৰ যাত্ৰা পথত ১৯৭৬-৭৭ চনৰ বছৰটোৱে সাধন কৰা পৰিবৰ্ত্তন এই দিশত এক উল্লেখযোগ্য পদক্ষেপ। ৰাজ্যপালে তেওঁৰ ভাষণত ইতিমধ্যে বিভিন্ন সমস্যাৰ কথা উল্লেখ কৰিছে। বাজেটৰ লগত উত্থাপন কৰা অৰ্থনৈতিক সমীক্ষা এটাত অৰ্থনীতিৰ বিভিন্ন খণ্ডৰ অৱস্থা সম্পৰ্কেও কিছু বিস্তৃত বিৱৰণ দাঙি ধৰা হৈছে। সেয়ে মই ১৯৭৬-৭৭ চনৰ বছৰটোত হোৱা উন্নয়ন আৰু ১৯৭৭-৭৮ চনৰ বছৰটোত প্ৰস্তাৱিত উন্নয়নৰ কথা বিশেষ ভাৱে উল্লেখ কৰি কেতবোৰ গুৰুত্বপূৰ্ণ নীতি আৰু ব্যৱস্থাৰ কথাহে কেৱল কব খুজিছো ।

অৰ্থনীতি ঃ

ৰাজ্যখনৰ কেতবোৰ অঞ্চলত প্ৰবল বানপানী আৰু উৎপাদন সাময়িক বয়া-টুটা স্বত্বেও কৃষিৰ উৎপাদন বাঢ়িছে। ১৯৭৫-৭৬ চনত কৃষি উৎপাদনৰ সূচী হৈছে ১৫১। খাদ্য শস্যৰ সূচী ১৪৯। ১৯৭০-৭৫ চনৰ কালছোৱাত ঔদ্যোগিক উৎপাদন প্ৰায় শতকৰা ১৮ ভাগ বৃদ্ধি পাইছে। ১৯৭০-৭১ চনৰ পৰা স্বৰূপাৰ্থত ৰাজ্যিক আয় বছৰি শতকৰা ৫ ভাগৰো অধিক বৃদ্ধি পোৱা দেখা গৈছে। ১৯৭১-৭২ চনৰ পৰা চাৰি বছৰত জনমূৰি আয়ো তদনুৰূপ ভাবে শতকৰা দহ ভাগ বৃদ্ধি পাইছে। ১৯৪৮-৪৯ চনৰ মূল্য সূচীত ১৯৭৫-৭৬ চনৰ ৰাজ্যিক আয় হৈছে ৪৯৮ কোটি টকা। আনহাতে চলিত মূল্য সূচীত এই আয়ৰ পৰিমাণ হৈছে ১৪২১ কোটি টকা। সেই সময়ছোৱাত ১৯৪৮-৪৯ চনৰ মূল্যত জনমূৰি আয় হৈছে ২৯৮ টকা আৰু চলিত মূল্যত জনমূৰি আয় হৈছে ৮৫১ টকা। সৰ্ব্বভাৰতীয় ভিত্তিত সেই সময়ছোৱাত চলিত মূল্যত জনমূৰি আয়ৰ পৰিমাণ হৈছে ১০০৫ টকা।

মূল্য ঃ

মূল্য বৃদ্ধিৰ সমস্যাটো অবিৰাম ভাবে প্ৰত্যাহবান স্বৰূপ হৈ আহিছে। ইয়াৰ ফলত প্ৰচেষ্টা পৰিহাৰ কৰাৰ কোনো স্থল নাই। বছৰৰ প্ৰথম ভাগত আমি মূল্য বৃদ্ধি ৰোধ কৰাত যথেষ্ট কৃতকাৰ্য্যতা লাভ কৰিছিলো। কিন্তু ইয়াৰ পিছত কিছু অসন্তোষীয়া গতিয়ে দেখা দিয়ে। মাননীয় সদস্য সকলে জানে যে ১৯৭৪ চনৰ মাৰ্চ মাহ আৰু ১৯৭৫ চনৰ মাৰ্চ মাহৰ ভিতৰত ১৯৭৪-৭৫ চনত পাইকাৰী মূল্য সূচী শতকৰা ১২ ভাগ আৰু ক্ৰেতা মূল্য সূচী শতকৰা ১৮.৫ ভাগ বৃদ্ধি পাইছিল। ১৯৭৫ চনৰ মাৰ্চ মাহ আৰু ১৯৭৬ চনৰ মাৰ্চ মাহৰ অন্তৰ্গত কালছোৱাৰ ভিতৰত পাইকাৰী মূল্য সূচী শতকৰা ১৩ ভাগ আৰু ক্ৰেতা মূল্যসূচী শতকৰা ১৯.৫ ভাগ হ্ৰাস পায়। অৱশ্যে ১৯৭৬ চনৰ চেপ্তেম্বৰ মাহৰ পৰা ঘাইকৈ মিঠাতেল, দাইল আৰু চাহপাতৰ দাম বঢ়াৰ ফলত পাইকাৰী মূল্য সূচী ১৯৭৬ চনৰ মাৰ্চ মাহৰ ৩৩২ৰ পৰা ১৯৭৬ চনৰ ডিচেম্বৰ মাহলৈ ৩৭৪ লৈ বৃদ্ধি পায়। ক্ৰেতাৰ মূল্য সূচীও ১৯৭৬ চনৰ মাৰ্চ মাহৰ ৩২৭ৰ পৰা ১৯৭৭ চনৰ জানুৱাৰীলৈ ৩৩২ লৈ বৃদ্ধি পায় । এইটোৱে দেখুৱাই দিয়ে যে মূল্য পৰিস্থিতিৰ প্ৰতি অবিৰাম ভাবে সতৰ্ক দৃষ্টি ৰখাৰ প্ৰয়োজন।

**দৰিদ্ৰ সকলৰ বাবে আঁচনি ঃ**

চৰকাৰে এইটো উপলব্ধি কৰিছে যে যদিহে দেশৰ অধিক সংখ্যক জনসাধাৰণৰ আৰ্থিক অভাৱ মোচন কৰিব পৰা নহয়, তেনেহলে তেওঁলোকে বৰ্ত্তমান অৱস্থাত লাভ কৰা উন্নতিৰ কথা অনুভৱ কৰিব নোৱাৰিব। আমাৰ অৰ্থনৈতিক আঁচনিৰ মূল লক্ষ্যও হৈছে এই মৌলিক সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে গ্ৰহণ কৰা সকলো প্ৰচেষ্টা অনুধাৱিত কৰা। সেই অনুসাৰে নিম্নতম প্ৰয়োজনীয় আঁচনিৰ অধীনত প্ৰায় ৫০০০০ টা পৰিয়ালক ঘৰ-বস্তীৰ বাবে মাটি আৰু ২০০০০ টা পৰিয়ালক আবাসস্থান দিয়া হৈছে। ১৯৭৭-৭৮ চনত আৰু ৪০,০০০ টা পৰিয়ালক আবাসস্থান দিবলৈ প্ৰস্তাৱ কৰা হৈছে। প্ৰাৰম্ভিক হিচাবত ধৰা ১১ লাখ বিঘা মাটিৰ পৰিবৰ্ত্তে চিলিং আইন মতে পোৱা অতিৰিক্ত প্ৰায় ১৬ লাখ বিঘা মাটি অধিগ্ৰহণ কৰা হৈছে। এই মাটিৰ পৰা যোৱা ৩১-১-৭৭ তাৰিখলৈ প্ৰায় ৭,৫৭,০০০ বিঘা মাটি ২,১০,৯৬৮ টা ভূমিহীন পৰিয়ালৰ মাজত বিতৰণ কৰা হৈছে। এইসকল ভূমিহীন পৰিয়ালৰ মাজত আছে ১৫,৬৮৪ টা অনুসূচীত জাতিৰ পৰিয়াল আৰু ১৫,৩৫২ টা অনুসূচীত জনজাতিৰ পৰিয়াল। মাটি পোৱা এই লোকসকলৰ পুনৰ সংস্থাপনৰ বাবে এই বছৰত "শস্য ভাগী আৰু আন ৰায়ত সকললৈ সাহায্য সেৱা মঞ্জুৰী" আঁচনিৰ অধীনত ১৫ লাখ টকাৰ ব্যৱস্থা কৰা হৈছে। এই টকা প্ৰতিজন শস্য ভাগী আৰু ৰায়তক ২৫০ টকাকৈ মুঠ ৬,০০০ জন শস্যভাগী আৰু ৰায়তক দিব পৰা হব। সমবায় সমিতি সমূহৰ পুনৰ সজীৱকৰণ আৰু পুনৰ গঠন, বিশেষকৈ অক্ষম সদস্য সমূহ আৰু অক্ষম সমবায় সমূহক পুনৰ সজীৱ কৰা আৰু পুনৰ গঠনৰ প্ৰশ্নটোৱে চৰকাৰৰ মনোযোগ আকৰ্ষণ কৰিব। চৰকাৰে ভূমিহীন লোকসকলক, উপান্ত আৰু ক্ষুদ্ৰ কৃষক সকলক কোনো এটা উপজীৱিকা দিয়াৰ আৱশ্যকতাও উপলব্ধি কৰিছে আৰু এই ক্ষেত্ৰত গ্ৰাম্যাঞ্চলৰ সৰ্ব্বতোপ্ৰকাৰ উন্নয়নৰ কাৰণে যথোপযুক্ত গাঠনিৰ সম্যক পৰীক্ষা-নিৰীক্ষাৰ ব্যৱস্থা হাতত লবলৈ প্ৰস্তাৱ লোৱা হৈছে।

**গ্ৰাম্য উন্নয়ন আঁচনি ঃ**

আঠটা নিৰ্ব্বাচিত খণ্ডত গ্ৰাম্য উন্নয়ন প্ৰকল্পৰ কাম হাতত লোৱা হৈছে। প্ৰায় ১,৫০,০০০ টা পৰিয়ালৰ ব্যাপক ভাবে সমীক্ষা চলোৱা হৈছে। মাননীয় সদস্য সকলে জানিব পাৰি আনন্দিত হব যে বেংকৰ পৰা বিত্তীয় সাহায্য লাভৰ বাবে ১৮০০০ টা প্ৰস্তাৱ আগবঢ়োৱা হৈছে আৰু ইয়াৰে ৬০০০ টা প্ৰস্তাৱ বেংকে গ্ৰহণ কৰি ২৮ লাখতকৈও অধিক টকা বিতৰণ কৰিছে।

**জনজাতীয় উপ-পৰিকল্পনা ঃ**

ভৈয়াম অঞ্চলৰ জনজাতি সকলৰ ক্ষিপ্ৰ অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ বাবে চৰকাৰে এখন জনজাতীয় উপপৰিকল্পনা হাতত লৈছে আৰু এই উপ-পৰিকল্পনাত বিশেষ কেন্দ্ৰীয় সাহায্যও পোৱা হব। সেই অনুযায়ী ১৯৭৭-৭৮ চনৰ বাবে ৰাজ্যিক পৰিকল্পনাৰ পৰা ৭.৩৪ কোটি টকাৰ ব্যৱস্থা কৰা হয় আৰু চলিত বছৰৰ মুঠ বণ্টন ৪.২৪ কোটি টকাৰ বিপৰীতে বিশেষ কেন্দ্ৰীয় সাহায্য হিচাপে মুঠ ২.৬০ কোটি টকা আৰু ওপৰঞ্চি বিশেষ কেন্দ্ৰীয় সাহায্য হিচাপে ১.৯৮ কোটি টকা আশা কৰা হৈছে। জনজাতীয় উপ-পৰিকল্পনাৰ বাবে প্ৰশাসনীয় গাঠনি শক্তিশালী কৰা, জনজাতি সকলৰ প্ৰয়োজনীয়তাৰ লগত বিশেষকৈ সংগতি থকা আঁচনি প্ৰস্তুত কৰা আৰু বাজেট ব্যৱস্থা আদি কৰাৰ নিয়ম

প্ৰণালী উন্নত কৰাৰ ব্যৱস্থাসমূহ বিবেচনাধীন হৈ আছে। এটা একত্ৰিত খণ্ডৰ জৰীপৰ কাম-কাজ সম্পূৰ্ণ হৈ উঠিছে আৰু সেইবোৰ পৰীক্ষাধীন হৈ আছে। ১৯৭৭-৭৮ চনৰ বছৰটোত এই পৰিকল্পনাৰ কাম পূৰ্ণ গতিত চলিব বুলি আশা কৰা হৈছে।

**পাৰ্বত্য অঞ্চলৰ বাবে আঁচনি ঃ**

দুয়োখন পাৰ্বত্য জিলাতে ঝুমীয়াসকলৰ পুনৰ সংস্থাপনৰ বাবে কৃষি, ফল উদ্যান, নগদ ধন পোৱা শস্য ৰোপণ আৰু উপজীৱিকা আঁচনিৰ ওপৰত অধিক গুৰুত্ব দি অহা হৈছে। নগদ ধন পোৱা শস্য ৰোপণ আঁচনিখন যাইকৈ ভূমি সংৰক্ষণ বিভাগে চলোৱা গৱেষণা আৰু সম্প্ৰসাৰণ কাম-কাজৰ আৰু Assam Cash Crop Plantation Corporation এ বাণিজ্যিক ভিত্তিত বাগিছা উন্নয়ন আঁচনিৰ জৰিয়তে কাৰ্যকৰী কৰা হৈ আহিছে। বিভিন্ন মিশ্ৰ প্ৰকল্প ইতিমধ্যে উদ্ভাৱন কৰা হৈছে। আঁচনিসমূহ যাইকৈ ভূমি আবাদিকৰণ, মাটিত ঢাপখন্দা, ক্ষুদ্ৰ জলসিঞ্চন, বনীকৰণ, আৰু কৃষি বিষয়ক সা-সজুলি আৰু একত্ৰিত-ভাবে গাঠনিগত সাহায্য আগবঢ়োৱাৰ ভিত্তিত প্ৰস্তুত কৰা হৈছে। ১৯৭৭-৭৮ চনৰ পাৰ্বত্য পৰিকল্পনাত ৰাজ্যিক যোজনা খণ্ডৰ পৰা বণ্টন কৰা ধনৰ পৰিমাণ ৭.৩৮ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। বছৰটোত ৬ কোটি টকাৰ বিশেষ কেন্দ্ৰীয় সাহায্যও আশা কৰা হৈছে। সেয়ে হলে পাৰ্বত্য পৰিকল্পনাত মুঠ ১৩ কোটি টকা হব বুলি আশা কৰিব পাৰি।

**কৃষি ঃ**

বছৰটোত কাছাৰ জিলা আৰু মাজুলী অঞ্চল ব্যাপকভাবে বানপানীৰ গৰাহত পৰিছিল। এই বানপানীৰ ফলত প্ৰায় ৩৭০০০ হেক্টৰ মাটিত আহু-শস্য নষ্ট হৈছিল। অৱশ্যে ১৯৭৫-৭৬ চনৰ উৎপাদনৰ তুলনাত ঘেঁহু আৰু দাইল জাতীয় খাদ্য শস্যৰ উৎপাদন শতকৰা ১০ ৰ পৰা ১৫ ভাগ বৃদ্ধি পাব বুলি আশা কৰা হৈছে। ১৯৭৬-৭৭ চনৰ ২৫.৫ লাখ টন উৎপাদন লক্ষ্যৰ বিপৰীতে এই বছৰত ২৩.৯২ লাখ টন খাদ্য শস্য উৎপাদন হব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। গতিকে ১৯৭৭-৭৮ চনৰ বছৰটোত খাদ্য শস্যৰ উৎপাদন বৃদ্ধিৰ বাবে ব্যাপক প্ৰচেষ্টা হাতত লোৱা আৱশ্যক। সাধাৰণ অঞ্চলৰ বাবে মুঠ ৬ কোটি টকা ধাৰ্য্য কৰা হৈছে। ১৯৭৭-৭৮ চনৰ বাবে সমগ্ৰ ৰাজ্যখনতে খাদ্য শস্যৰ উৎপাদন লক্ষ্য স্থিৰ কৰা হৈছে ২৭.২০ লাখ টন, মৰাপাট ৯.৫ লাখ বেল, কুঁহিয়াৰ ১.৮০ লাখ টন আৰু ১.২০ লাখ টন তেল শস্য আৰু ২০.৫ লাখ কুইণ্টল ধান সংগ্ৰহ কৰা হৈছে। অসম কৃষি বিশ্ববিদ্যালয়ত গৱেষণাৰ সা-সুবিধা দান, কৃষি বিশ্ববিদ্যালয়ৰ অধীনত কৃষি বিষয়ক ইঞ্জিনীয়াৰিং মহাবিদ্যালয় স্থাপন, ভূমিহীন কৃষকসকলৰ পুনৰ সংস্থাপনৰ বাবে অধিক কৃষিপাম নিগম স্থাপন, ভ্ৰাম্যমান কেন্দ্ৰীয় শস্য প্ৰতিৰক্ষা গোট স্থাপন, বৰ্ত্তমানে থকা আৰু প্ৰস্তাৱিত জলসিঞ্চন প্ৰকল্পসমূহৰ কমাণ্ড অঞ্চল (Command Area) বিশেষত ব্যাপক ভূমি সমীক্ষাৰ বাবে অধিক জৰীপ কেন্দ্ৰ স্থাপন আৰু নিৰ্বাচিত মহকুমাবোৰত মাটি পৰীক্ষাৰ বাবে অধিক সা-সুবিধাৰ যোগানেই হৈছে ৰাজ্য খনৰ কৃষি আঁচনিত দিয়া যাই গুৰুত্ব।

**পশুপালন ঃ**

এই আঁচনি খন অৰ্থনৈতিক ভাবে পিছ পৰা শ্ৰেণীৰ লগত বিশেষ সঙ্গতি ৰাখি প্ৰস্তুত কৰা হৈছে। গো উন্নয়ন, হাঁহ-কুকুৰা উন্নয়ন, গাহৰি উন্নয়ন, ভেঁড়া আৰু

ছাগলী উন্নয়ন ইত্যাদিব ওপৰত এই আঁচনিত অধিক গুৰুত্ব দিয়া হৈছে। প্ৰোটিনৰ অভাৱ এই ক্ষেত্ৰত বিশেষভাৱে পৰিলক্ষিত হৈছে আৰু আশা কৰা হৈছে এই আঁচনিৰ দ্বাৰা এই সমস্যা সমাধান হব। বিস্তৃত গো উন্নয়ন প্ৰকল্প, মুখ্য গ্ৰাম্য আঁচনি, গো প্ৰজনন পাম স্থাপন আৰু গাখীৰ উৎপাদন বৃদ্ধিৰ কাম চলাই থকা হব। ১৯৭৬-৭৭ চনত গাখীৰ উৎপাদনৰ পৰিমাণ আছিল ৩.৭৫ লাখ টন আৰু ১৯৭৭-৭৮ চনত এই লক্ষ্য প্ৰায় ৪ লাখ টন ধাৰ্য্য কৰা হৈছে। ১৯৭৭-৭৮ চনত জৈৱিক গৱেষণাগাৰত টিকা প্ৰস্তুত কৰিবলৈ আৰু টিকা দিয়া সা-সুবিধা বৃদ্ধি কৰিবলৈও দিহা কৰা হৈছে। জনজাতীয় উপ-পৰিকল্পনাৰ অধীনত হাঁহ-কুকুৰা আৰু গাহৰি পালন গোট বিতৰণ কৰাৰ কাৰ্য্যসূচী হাতত লোৱা হব। এই কাৰ্য্যসূচীয়ে বহু সংখ্যক ভূমিহীন, ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কক সহায় কৰিব। নগৰ অঞ্চলত বৃদ্ধি পোৱা গাখীৰৰ চাহিদা পূৰণ কৰিবলৈ নগৰ গাখীৰ যোগান আঁচনি হাতত লোৱা হৈছে। গাখীৰ, মাংস, কণী, আৰু এই জাতীয় বস্তু উৎপাদনৰ বাবেও কাৰ্য্যসূচী হাতত লোৱা হৈছে আৰু ইয়াৰ ফলত নগৰ অঞ্চলত এই ধৰণৰ সামগ্ৰীৰ মূল্য বৃদ্ধি প্ৰতিৰোধ কৰিব পৰা হব বুলি আশা কৰা হৈছে।

**মীন পালন ঃ**

মীন পালনৰ ক্ষেত্ৰত কৃত্ৰিম প্ৰজনন, মিশ্ৰিত পদ্ধতিৰ মীন পালন, জলজ, উদ্ভিদ নিয়ন্ত্ৰণ, মীন পালন ক্ষেত্ৰস্থলত গৱেষণা আৰু সম্প্ৰসাৰণৰ কাম চলাই থকা হব। মিশ্ৰিত পদ্ধতিৰ জৰিয়তে প্ৰতি হেক্টৰত মীন উৎপাদন বৃদ্ধি কৰিবলৈ ব্যৱস্থা কৰা হৈছে। আগৰ চিৰাচৰিত পদ্ধতিৰে প্ৰতি হেক্টৰত ৩০০ কিলোগ্ৰাম মাছহে উৎপাদন হৈছিল। কিন্তু মিশ্ৰিত মীন পালন পদ্ধতিৰ দ্বাৰা প্ৰতি হেক্টৰত ২,২০০ কিলোগ্ৰাম মাছ উৎপাদন সম্ভৱ হৈ উঠিছে। প্ৰতি মহকুমাতে আধুনিক মীন পালন পদ্ধতিৰে ১০ একৰ মাটি জুৰি মীন পালন কৰা হয়, ১০ জনকৈ মীন পালক নিৰ্বাচন কৰা কাৰ্য্যসূচী সম্প্ৰসাৰণ কৰা হব। ১৯৭৬-৭৭ চনত গোৱালপাৰা জিলাত প্ৰবৰ্ত্তন কৰা মীন পালক উন্নয়ন এজেন্সীৰ আঁচনিখন ১৯৭৭-৭৮ চনত দৰং জিলাতো প্ৰবৰ্ত্তন কৰা হব। মীন পালনৰ ক্ষেত্ৰত যাতে সকলো ধৰণৰ সা-সুবিধা হয় তাৰ প্ৰতি লক্ষ্য ৰাখি উন্নয়নমূলক, সংৰক্ষণ মূলক, বেচা-কিনা আৰু থলুৱালোক নিযুক্তি আদিৰ উপযুক্ত ব্যৱস্থা কৰিবলৈ এটা নিগম গঠন কৰিবলৈ প্ৰস্তাৱ হাতত লোৱা হৈছে। এই নিগম গঠনৰ কাম চূড়ান্ত পৰ্য্যায়ত আছে আৰু ১৯৭৭-৭৮ চনৰ ভিতৰতে ইয়াৰ কাম আৰম্ভ হব বুলি আশা কৰা হৈছে।

**জলসিঞ্চন ঃ**

অহা ৩ বছৰৰ ভিতৰত ৰাজ্যখনৰ চাউলৰ উৎপাদন ৩০ লাখ টন বৃদ্ধি কৰিবলৈ বিশ্ববেংকৰ বিশেষজ্ঞ সকলৰ সহযোগিতাত এখন আঁচনি প্ৰস্তুত কৰি অনুমোদনৰ বাবে দাখিল কৰা হৈছে। এই আঁচনিত আন আন বিষয়ৰ লগতে কমাণ্ড অঞ্চলৰ (Command area) উন্নয়ন, ভূ-গৰ্ভৰ জলসম্পদ ব্যৱহাৰ, বাম নলী-নাদ বহুওৱা, মাটিৰ ওপৰ ভাগৰ আৰু ভূ-গৰ্ভৰ পানী সদ্ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। ইতিমধ্যে সম্পূৰ্ণ হোৱা আৰু সম্পূৰ্ণ হবলৈ ধৰা সকলোবোৰ কমাণ্ড অঞ্চলৰ (Command area) আঁচনি জৰীপৰ কাম চলি আছে। অহা দুবছৰৰ ভিতৰত এই জৰীপৰ কাম সম্পূৰ্ণ হোৱাৰ কথা। চতুৰ্থ পৰিকল্পনাৰ শেষলৈকে সৃষ্টি কৰা ২.১৮ লাখ হেক্টৰ মাটিত জলসিঞ্চন সম্ভাৱনাৰ ভিতৰত ১.১৬ লাখ হেক্টৰ

মাটিত জলসিঞ্চনৰ দিহা হৈছে। আশা কৰা হৈছে যে পঞ্চম পৰিকল্পনাৰ শেষলৈকে পঞ্চম পৰিকল্পনাৰ অধীনৰ দুটা বছৰত সৃষ্টি কৰা জলসিঞ্চন সম্ভাৱনাৰ শতকৰা ৩৫ ভাগ সম্পূৰ্ণ ভাৱে ব্যৱহাৰ কৰা হব। ১১ টা মজলীয়া আৰু এটা বৃহৎ প্ৰকল্পৰ কাম আৰম্ভ কৰা হৈছে। এই ১২ টা প্ৰকল্প পঞ্চম পৰিকল্পনাৰ সময়ছোৱাত সম্পূৰ্ণ হোৱাৰ কথা। এই প্ৰকল্প সমূহে ৭০ হেজাৰ হেক্টৰ এলেকা সামৰি লব। পৰিকল্পনা আয়োগৰ পৰামৰ্শ অনুসাৰে এই লক্ষ্য ৮৫ হাজাৰ হেক্টৰত পুনৰ নিৰ্দ্ধাৰিত হৈছে আৰু সেই মতে ৫ম পৰিকল্পনাত ধাৰ্য্য কৰা টকা ২৯ কোটিলৈ বৃদ্ধি কৰা হৈছে। ক্ষুদ্ৰ জলসিঞ্চন আঁচনি সমূহৰ কামো অধিক ব্যাপক আৰু সম্প্ৰসাৰিত কৰা হব। ১৯৭৭-৭৮ চনৰ ভিতৰত এই বিলাকে ৩৫ হেজাৰ হেক্টৰ মাটি সামৰি লব।

**বিদ্যুৎ শক্তি ঃ**

মাননীয় সদস্য সকলে জানে যে বিগত বছৰ সমূহত স্থাপন কৰা বিদ্যুৎ উৎপাদন প্ৰকল্প বোৰৰ সৰহ ভাগেই মেঘালয় ৰাজ্যতহে পৰিছে। আমাৰ ৰাজ্যখনত বিদ্যুৎ উৎপাদন বৃদ্ধি কৰাৰ প্ৰচেষ্টা আৰু বেছি ক্ষিপ্ৰতৰ কৰা হৈছে। ১৯৭৬ চনৰ চেপ্তেম্বৰ মাহৰ পৰা ৩০ মেগাৱাট ক্ষমতা সম্পন্ন নামৰূপ তাপ বিদ্যুৎ প্ৰকল্পৰ সম্প্ৰসাৰিত ক্ষমতা ব্যৱসায়িক ভিত্তিত ব্যৱহাৰ কৰা হৈছে। বঙাইগাওঁ তাপ বিদ্যুৎ প্ৰকল্পৰ কামো সন্তোষজনক ভাবে আগবাঢ়িছে। ৪৫ মেগাৱাট শক্তি সম্পন্ন লাকোৱা গেছ টাৰবাইন কেন্দ্ৰটো পৰিকল্পনা আয়োগে অনুমোদন কৰিছে আৰু ১৯৭৮ চনৰ পৰা কেন্দ্ৰটোৱে উৎপাদন আৰম্ভ কৰিব বুলি আশা কৰা হৈছে। ২×৫০ মেগাৱাট শক্তি সম্পন্ন লংপি জলবিদ্যুৎ প্ৰকল্পৰ প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰা হৈছে। কাৰ্বি আংলঙ জিলাত দুখন মাইক্ৰো জলবিদ্যুৎ আঁচনি সম্পৰ্কে অনুসন্ধান কৰি থকা হৈছে। ১×১২.৫ মেগাৱাট শক্তি সম্পন্ন নামৰূপ গেছ টাৰবাইন ছেটৰ কাম চলি আছে। ইয়াৰ উপৰিও চন্দ্ৰপুৰত ১×৩০ মেগাৱাট শক্তি সম্পন্ন এটা দ্বিতীয় ছেট আৰু বঙাইগাওঁ তাপ বিদ্যুৎ কেন্দ্ৰৰ (৩×৬০ মেগাৱাট) সম্প্ৰসাৰণ ১৯৭৭-৭৮ চনত হবগৈ বুলি আশা কৰা হৈছে।

গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনি মতে ১৯৭৬ চনৰ ৩১ মাৰ্চলৈকে ১,৭৬৯ খন গাঁৱত বিজুলী যোগান ধৰা হয়। চলিত বছৰত আৰু ৫৫০ খন গাঁৱত বিজুলী যোগান ধৰা হব বুলি আশা কৰা হৈছে। ১৯৭৭-৭৮ চনত অতিৰিক্ত ৫৫০ খন গাঁৱত বিজুলী যোগান ধৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

**সমবায় ঃ**

গ্ৰাম্য অৰ্থনীতিৰ সংস্থাপনৰ বাবে আটাইতকৈ প্ৰয়োজনীয় কথা হৈছে কৃষি আৰু গ্ৰাম্য উদ্যোগ আৰু উপৰুৱা জীৱিকাৰ অৰ্থে গ্ৰাম্য খণ্ডত সময় মতে আৰু পৰ্য্যাপ্ত পৰিমাণে ঋণৰ দিহা কৰাটো। এই প্ৰয়োজনীয়তা পূৰণ কৰা দূৰৰ কথা, দেশৰ সৰহ ভাগ অঞ্চলতে, অভিজ্ঞতাৰ পৰা সাধাৰণতে এইটো দেখা গৈছে যে গ্ৰাম্য অঞ্চলত জমা হোৱা ধন অনুপাতে ধনৰ বিনিয়োগ নহয়। এই বিষয়টো বিশাল আৰু বহুধাবিভক্ত। বিভিন্ন বিশেষজ্ঞ আয়োগ আৰু কমিটীয়ে এই বিষয়টো অধ্যয়ন কৰিছে। ৰাজ্য চৰকাৰৰ মত এয়ে যে গ্ৰাম্য পৰ্য্যায়ত বহুতো এজেন্সি থকাৰ ফলত গাঁওবাসী যাতে বিমোৰত নপৰে আৰু ইয়াৰ উদ্দেশ্যও যাতে বিফল নহয়, তাৰ বাবে সকলো ধৰণৰ গ্ৰাম্য ঋণৰ বিতৰণৰ দায়িত্ব কেৱল গাঁও পঞ্চায়ত সমবায় সমিতিকহে দিব লাগে। বাণিজ্যিক

বেংক আৰু গাঁৱলীয়া বেংকৰ সাহায্যত এই মতাদৰ্শ কাৰ্য্যকৰী কৰাৰ বাবে প্ৰয়োজন হোৱা প্ৰশাসনীয় আৰু বিত্তীয় সাহায্যৰ কথাটো উদ্ভাৱন কৰিব লাগিব আৰু ব্যৱস্থা কৰিব লাগিব। যদিহে কৃষি, গ্ৰাম্য উদ্যোগ আৰু অন্যান্য উপৰুৱা জীৱিকাৰ ক্ষেত্ৰত বেংকে গ্ৰহণ কৰিব পৰা আঁচনি চৰকাৰী সংস্থা, বাণিজ্যিক বেংক, বিত্তীয় অনুষ্ঠান, সমবায়ৰ লোক আৰু পঞ্চায়ত কৰ্ম্মীসকলে যৌথ ভাৱে গ্ৰহণ নকৰে তেনেহলে গ্ৰাম্য দৰিদ্ৰতাৰ সমস্যাটোৰ সম্মুখীন হোৱাটো দুৰূহ হব। ঋণৰ সম্প্ৰসাৰণৰ কথাটো গ্ৰাম্য খণ্ডত ধন বিনিয়োগৰ উন্নতি সাধনৰ এক অবিচ্ছেদ্য অংগ বুলি ধৰিব লাগে আৰু সেয়ে ধন বিনিয়োগৰ পিচৰ অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। এইটো সঁচা যে অতীতত কেতবোৰ সমিতিয়ে তেওঁলোকৰ ঋণ পৰিশোধ কৰিব পৰা নাছিল। ঋণ পৰিশোধ কৰিব নোৱাৰাৰ কাৰণ বিশ্লেষণ কৰিবলৈ আৰু ধন আদায় দিব নোৱাৰা সদস্য আৰু সমিতি সমূহৰ পুনৰ সংস্থাপনৰ বাবে ব্যাপক প্ৰচেষ্টাৰ প্ৰয়োজন।

১৯৭৫-৭৬ চনত গাঁও পঞ্চায়ত পৰ্য্যায়ৰ সমবায় সমিতিয়ে ১৭ কোটি টকাৰ অত্যাৱশ্যকীয় আৰু ভোগ্য দ্ৰব্যৰ ব্যৱসায় পৰিচালনা কৰে আৰু ২৯ কোটি টকাৰ ধান সংগ্ৰহ কৰে। ১৯৭৬-৭৭ চনত এই সমিতিয়ে ৩ কোটি টকাৰ উৎপাদন ঋণ দিয়ে। ১৯৭৭-৭৮ চনৰ বাবে গাঁও পঞ্চায়ত সমবায় সমিতিৰ জৰিয়তে বিতৰণ কৰিব লগীয়া কৃষি ঋণৰ পৰিমাণ ধাৰ্য্য কৰা হৈছে ৬.৫ কোটি টকা। গাঁও অঞ্চলত সমবায় সমিতি সমূহৰ ব্যৱসায় প্ৰায় ৩০ কোটি টকালৈ আৰু নগৰ অঞ্চলত এই সমবায় সমিতিসমূহৰ ব্যৱসায় ২৫ কোটি টকালৈ বৃদ্ধি কৰাৰ আশা কৰা হৈছে। সমবায় সমিতি সমূহৰ পুনৰ গঠন এক বলিষ্ঠ পদক্ষেপ। গাঁও পঞ্চায়ত সমবায় সমিতি সমূহে ভৈয়ামৰ জিলা কেইখনৰ প্ৰায় সকলো লোককেই সামৰিছে। ১৯৭৬ চনৰ নবেম্বৰ মাহলৈকে শতকৰা ১০০ পৰিয়ালকেই গাঁও পঞ্চায়ত সমবায় সমিতিৰ সদস্যভুক্ত কৰা হৈছে আৰু ইয়াৰ ফলত ভৈয়ামৰ জিলাসমূহৰ সমবায় সদস্যভুক্তি সাৰ্বজনীন কৰি তোলা হৈছে। এতিয়া প্ৰধান কাম হৈছে স্থবিৰ হৈ থকা সমবায় সমিতিসমূহক সক্ৰিয় কৰি তোলা, প্ৰশাসনিক সাহায্য আগবঢ়োৱা আৰু পৰ্য্যাপ্ত পৰিমাণৰ বিত্তীয় যোগানৰ ব্যৱস্থা কৰা। এই বিষয়ত বেংক আয়োগে দিয়া চুপাৰিশ গ্ৰাম্য খণ্ডৰ বাবে বেংকৰ পৰা ঋণ দানৰ ক্ষেত্ৰত সহায়ক হব।

**উদ্যোগ ঃ**

কাছাৰ চেনিকল আৰু নামৰূপৰ অসম পেট্ৰকেমিকেল প্ৰকল্পত উৎপাদন আৰম্ভ হৈছে। দলগাঁওৰ মৰাপাট কল আৰু চিঙৰ ঔদ্যোগিক পেপাৰ বৰ্ড প্ৰকল্পৰ কথা বিবেচনাধীন হৈ আছে। কাৰ্বন ব্লেক প্ৰকল্পৰ বাবে প্ৰাৰম্ভিক ব্যৱস্থা লোৱা হব ধৰিছে। যোগীঘোপাৰ অশোক পেপাৰ মিলে উৎপাদন আৰম্ভ কৰিছে আৰু কষ্টিক আৰু ক্লোৰাইন যন্ত্ৰ বহুৱাৰ কামো প্ৰায় সম্পূৰ্ণ হ'ব লগীয়া হৈছে। নগাঁৱত বিশেষধৰণৰ কাগজ আৰু মৰাপাট পকোৱা কাৰখানা আৰু ডিব্ৰুগড়ত চাউলৰ তেল উলিওৱা কাৰখানাই উৎপাদন আৰম্ভ কৰিছে। অসম স্পান চিল্ক মিলে অন্তৰ্বৰ্ত্তী লাভাংশ ঘোষণা কৰিছে। কিস্তি ভিত্তিত যন্ত্ৰপাতি যোগান ধৰা আৰু মঞ্জুৰী অনুদানৰ যোগেদি উদ্যোগী সকলক প্ৰশিক্ষণ দিয়া আৰু বিজুলীৰ ক্ষেত্ৰত সাহায্য মঞ্জুৰী দিয়া আদিৰ জৰিয়তে গ্ৰাম্য উদ্যোগসমূহক সহায় কৰি থকা হৈছে। ১৯৭৬-৭৭ চনত ২৯টা গোটক মূলধন সাহায্য আৰু ১৪টা গোটক পৰিবহন সাহায্য দিয়া হৈছে।

সদনে জানে যে ৰাজ্যখনৰ ঔদ্যোগিক বিকাশত প্ৰেৰণা যোগাবলৈ ১৯৬৯ চনৰ মাৰ্চ মাহত চৰকাৰৰ ঔদ্যোগিক নীতি সংশোধন কৰা হয়। ৰাজ্যখনত নতুন নতুন উদ্যোগ স্থাপনত চৰকাৰে প্ৰেৰণা যোগাই থাকিব আৰু ৰাজ্য খনৰ ঔদ্যোগীকৰণৰ ক্ষেত্ৰত লোৱা নীতিসমূহ অধিক ফলপ্ৰসূ আৰু উদ্দেশ্যধৰ্ম্মী কৰি তুলিবলৈ প্ৰয়োজনীয় সা-সুবিধা আৰু গাঠনিগত উন্নয়ন সাধন কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰিছে।

সদনে জানে যে অসমত চাহ বাগিছা থকা সৰহভাগ চাহকোম্পানীৰেই তেওঁ-লোকৰ ৰেজিষ্টাৰ্ড অফিচ ৰাজ্যখনৰ বাহিৰত অৱস্থিত। এই ক্ষেত্ৰত চৰকাৰৰ মত এয়ে যে যিবিলাক কোম্পানীৰ বৃহৎ স্বাৰ্থ অসমৰ চাহৰ সৈতে জড়িত সেইবিলাক কোম্পানীৰ কাৰ্য্যালয় অসমলৈ স্থানান্তৰ কৰা উচিত আৰু এই কোম্পানী সমূহৰ প্ৰধান কাৰ্য্যালয়ো পৰ্য্যায়ক্ৰমে, লাহে লাহে অসমলৈ আনিব লাগে যাতে এই বাগিছা সম্পৰ্কে লোৱা সিদ্ধান্ত স্থানীয়ভাৱে ল'ব পৰা হয়। এই বিষয়টো সংশ্লিষ্ট কোম্পা-নীৰ লগত যথাযথভাৱে লোৱা হৈছে।

**ৰেচম আৰু বয়ন ঃ**

আত্মনিযুক্তিৰ সুবিধা আৰু উপৰুৱা আয়ৰ সম্ভাৱনা থকা হেতুকে সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকৰ ক্ষেত্ৰত এই আঁচনিৰ এক বিশেষ গুৰুত্ব আছে। তিতাবৰত প্ৰশিক্ষণৰ সা-সুবিধা বৃদ্ধি কৰাৰ আঁচনি, ঘাই মুগা পলুৰ কেন্দ্ৰ আৰু এড়ী, নুনি আৰু তচৰৰ মিশ্ৰিত কেন্দ্ৰ স্থাপনৰ আঁচনি আৰু জনজাতীয় উপ যোজনাৰ বাবে বিশেষ কেন্দ্ৰীয় সাহায্যৰ আঁচনি সমূহ কাৰ্য্যকৰী কৰা হব। প্ৰস্তাৱিত সৰ্ব্বমুঠ ২.২৪ কোটি টকা ব্যয় কৰি ব্যাপক তাঁতশিল্পৰ উন্নয়ন আৰু ৰপ্তানি কৰিব পৰা সা-সামগ্ৰী উৎপাদনৰ আঁচনি দুখন আৰম্ভ কৰা হৈছে আৰু ১৯৭৭-৭৮ চনত ইয়াৰ কাম-কাজ কৰিব পৰা হব বুলি আশা কৰা হৈছে। বোৱনীসকলৰ বাবে আনুষ্ঠানিক বিত্তৰ ব্যৱস্থা কৰা হৈছে।

**খাদী আৰু গ্ৰামোদ্যোগ ঃ**

অসম খাদী আৰু গ্ৰামোদ্যোগ বৰ্ডে পাৰ্ব্বত্য জিলাসমূহ আৰু আন আন জনজাতীয় অঞ্চলসমূহলৈ ইয়াৰ কাম-কাজ সম্প্ৰসাৰিত কৰিছে। ১৯৭৬-৭৭ চনৰ ভিতৰত অসম খাদী আৰু গ্ৰামোদ্যোগ বৰ্ডে ৩ কোটি টকা মূল্যৰ সামগ্ৰী উৎপাদন কৰে আৰু ৫৫,০০০ লোকক আত্মনিযুক্তিৰ সুবিধা দিয়ে। ১৯৭৭-৭৮ চনত বৰ্ডে ৪.৫০ কোটি টকা মূল্যৰ সামগ্ৰী উৎপাদন কৰাৰ আৰু ৫৭,০০০ লোকৰ নিযুক্তিৰ দিহা কৰাৰ লক্ষ্য স্থিৰ কৰিছে। পাৰ্ব্বত্য অঞ্চলসমূহত, ১৯৭৭-৭৮ চনৰ বাবে উৎপাদনৰ লক্ষ্য ধৰা হৈছে ৬.৭৫ লাখ টকা আৰু নিযুক্তিৰ লক্ষ্য ধৰা হৈছে ১০৩০ জন লোকৰ।

**শিক্ষা ঃ**

শিক্ষা সংক্ৰান্ত বিষয়ত ৰাইজৰ অভিযোগ আদি থাকিলে তাক তদাৰক কৰিবৰ বাবে প্ৰতিটো শিক্ষা মহকুমাতে একোজনকৈ অভিযোগ বিষয়া (গ্ৰিভেন্স

অফিচাৰ) নিযুক্ত কৰা হৈছে। খেল-ধেমালি আৰু কল্যাণমূলক কাম-কাজত উদগনি যোগোৱাৰ বাবে এটা ক্ৰীড়া আৰু যুৱক কল্যাণ অধিকৰ্ত্তালয় স্থাপন কৰা হৈছে। ১৯৭৫ চনৰ ডিচেম্বৰ মাহৰ পৰা ২৩ খন কলেজ ঘাটি মঞ্জুৰী ব্যৱস্থাৰ অধীনলৈ অনা হয়। ৩৯ খন হাইস্কুল আৰু ৫০০ খন এম ই স্কুলো ঘাটি মঞ্জুৰী ব্যৱস্থাৰ অধীনলৈ অনা হয় আৰু ৭২ খন হাইস্কুল ঘাটি মঞ্জুৰী ব্যৱস্থাৰ অধীনলৈ অনাৰ প্ৰস্তাৱ কৰা হৈছে। ৬ খন হাইস্কুল উচ্চ মাধ্যমিক স্কুললৈ উন্নীত কৰা হৈছে আৰু ১৩ খন মাদ্ৰাছা স্কুল সম্পূৰ্ণ সাহায্য মঞ্জুৰী ব্যৱস্থাৰ অধীনলৈ অনা হৈছে। শিক্ষা-দানৰ মান উন্নত কৰাৰ ব্যৱস্থা কৰাৰ লগতে চৰকাৰে কলেজ শিক্ষকসকলৰ বাবে প্ৰয়োজনীয় অৰ্হতাৰো সংশোধন কৰিছে। উচ্চ/উচ্চ মাধ্যমিক স্কুল আৰু কলে-জৰ বাবে চৰকাৰে নতুন বিধি প্ৰস্তুত কৰিছে আৰু নতুনকৈ পৰিচালনা সমিতি আৰু গৰ্ভনিং বডি গঠন কৰিছে। বৃত্তিধাৰী ছাত্ৰ-ছাত্ৰীসকলক সময়মতে বৃত্তি দিয়া আৰু সময়মতে বৃত্তি নবীকৰণ কৰাটো সুনিশ্চিত কৰাৰ বাবে বৃত্তি দিয়া আৰু বৃত্তি নবীক-ৰণৰ পদ্ধতি সংশোধন কৰা হৈছে। সি যি কি নহওক, পঞ্চম পৰিকল্পনাৰ শেহলৈ প্ৰাথমিক পৰ্য্যায়ত শতকৰা ১০০ টা লৰা-ছোৱালীয়েই যাতে স্কুলত ভৰ্ত্তি হব পাৰে তাৰ বাবে প্ৰচেষ্টা চলোৱা হৈছে। চৰকাৰে অগ্ৰাধিকাৰৰ ভিত্তিত স্কুল নোহোৱা সকলো গাঁৱতে প্ৰাথমিক স্কুল পতাৰ প্ৰস্তাৱ কৰিছে। প্ৰশাসনীয় দক্ষতাৰ বাবে চৰকাৰে যুটীয়া শিক্ষাধিকৰ্ত্তাৰ (প্ৰাথমিক শিক্ষা) কাৰ্য্যালয়টো শিক্ষাধিকৰ্ত্তাৰ কাৰ্য্যালয়ৰ সৈতে চামিল কৰিছে। ভঙ্গ হোৱা প্ৰাথমিক শিক্ষাৰ আঞ্চলিক বোৰ্ডৰ কাৰ্য্যালয়সমূহ স্কুলৰ উপ-পৰিদৰ্শকৰ (ডি-আই) কাৰ্য্যালয়ৰ সৈতে চামিল কৰা হৈছে। বিভিন্ন লোক গোষ্ঠীৰ মাজৰ পৰা ন্যায্য ভাবে স্কুলৰ শিক্ষক নিযুক্ত কৰাটো নিশ্চিত কৰিবলৈ মহ-কুমা বাছনি সমিতি গঠন কৰা হৈছে। কাৰিকৰী শিক্ষা বিভাগে ডিগ্ৰী পৰ্য্যায়ৰ দুখন ইঞ্জিনীয়াৰিং কলেজ, ডিপ্লোমা পৰ্য্যায়ৰ সাতখন পলিটেকনিক আৰু চাৰ্টিফিকেট পৰ্য্যায়ৰ তিনিখন জুনিয়ৰ কাৰিকৰী স্কুল চলাই আছিছে। ইয়াৰ ভিতৰত ছোৱালীৰ পলিটেকনিক এখনো আছে। তাৰোপৰি ডিপ্লোমা আৰু ডিগ্ৰী পৰ্য্যায়ত চিভিল ইঞ্জিনীয়াৰিং, মেকানিকেল ইঞ্জিনীয়াৰিং, ইলেকট্ৰিকেল ইঞ্জিনীয়াৰিং আৰু ডিপ্লোমা পৰ্য্যায়ত এগ্ৰিকালচাৰেল ইঞ্জিনীয়াৰিং আৰু টেক্সটাইল ইঞ্জিনীয়াৰিঙৰ পাঠ্যক্ৰমৰ প্ৰশিক্ষণৰো সা-সুবিধা আগবঢ়োৱা হৈছে। ৰাজ্যৰ বাহিৰৰ প্ৰতিষ্ঠানসমূহত ৰাজ্য-খনৰ লৰা-ছোৱালীয়ে শিক্ষা লাভ কৰাৰ বাবে আচুতীয়াকৈ আসন ৰখাৰ উপৰিও তেনে প্ৰতিষ্ঠানত ৰাজ্যখনৰ শিক্ষাৰ্থীয়ে উচ্চ শিক্ষা, প্ৰশিক্ষণ আৰু বিশেষ পাঠ্যক্ৰমত শিক্ষা লোৱাৰ ক্ষেত্ৰত পুঁজিৰো ব্যৱস্থা ৰখা হৈছে। স্কুলসমূহত ৮৪৩টা বুকবেংক আৰু কলেজসমূহত ৬৫টা বুকবেংক খোলা হয়। ইয়াৰ দ্বাৰা স্কুলৰ ৩৬,০০০ ছাত্ৰ-ছাত্ৰী আৰু কলেজৰ ১৫,০০০ ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে। অসম পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক সুলভ মূল্যত পাঠ্য-পুথিৰ যোগান ধৰা হৈছে। ৪৯০টা ছাত্ৰাবাসত নিয়ন্ত্ৰিত মূল্যত অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰা হৈছে আৰু ইয়াৰ ফলত ছাত্ৰাবাসত থকা ২৪,০০০ লৰাছোৱালী উপকৃত হৈছে। জীৱিকা বৃত্তি নিৰ্দ্দেশনা ব্যুৰোই (Occupational Vocational Guidance Bureau) ২০ খন হাইস্কুলত নিৰ্দ্দেশনা দিছে।

**সাংস্কৃতিক পৰিক্ৰমা ঃ**

নাট্য আন্দোলনৰ উৎকৰ্ষ সাধন জনপ্ৰিয় কৰি তোলা আৰু ইয়াৰ উন্নতি-সাধনৰ বাবে এটা নাট্যদল লোৱা হৈছে। চিত্ৰকলা প্ৰদৰ্শনী পতাৰ সুবিধাৰ্থে এটা আৰ্ট

গেলেৰী স্হাপন কৰা হৈছে । সাংস্কৃতিক বিনিময় আঁচনি এখনৰো ব্যৱস্হা কৰা হৈছে । বেচৰকাৰী সাংস্কৃতিক অনুষ্ঠানসমূহক অনুদান দি সহায় কৰা হৈছে । পাৰ্বত্য অঞ্চলত এনেকুৱা ৯টা সাংস্কৃতিক অনুষ্ঠানক সাহায্য দিয়া হৈছে ।

**তথ্য আৰু জনসংযোগ ঃ**

অৰ্থনৈতিক উন্নয়নৰ সৰ্বসাধাৰণ সমস্যাসমূহ সম্পৰ্কে জনসাধাৰণক সচেতন কৰি তোলাৰ অৰ্থে কথাছবিৰ প্ৰদৰ্শন বৃদ্ধি কৰা হৈছে । পাৰ্বত্য অঞ্চলত প্ৰচাৰ সমস্যাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে । ৰাষ্ট্ৰ গঠনৰ কাম-কাজ সম্পৰ্কে বিভিন্ন পুস্তিকা প্ৰকাশ কৰা হৈছে । কলিকতাত এটা তথ্য কেন্দ্ৰও স্হাপন কৰা হৈছে ।

**গড়কাপ্তানি ঃ**

বহুবছৰ ধৰি উন্নতিৰ বিধান নোহোৱা নগৰীয়া অঞ্চলৰ বাট-পথৰ উন্নয়ন, নলা-নৰ্দমা আৰু পদ-পথ সমূহৰ নিৰ্মাণৰ বাবে বিশেষ মনোযোগ দিয়া হৈছে । চতুৰ্থ পৰিকল্পনাৰ পৰাই আৰম্ভ কৰা ৩০০ কিলোমিটাৰ পথৰ কাম সম্পূৰ্ণ কৰা হৈছে আৰু নিম্নতম প্ৰয়োজনীয় আঁচনিৰ অধীনৰ আন ৩৬০ কিলোমিটাৰ পথৰ কামো সম্পূৰ্ণ কৰা হৈছে । ইয়াৰ উপৰিও আৰু ২২০ কিলোমিটাৰ পথৰ কাম-কাজো দ্ৰুতগতিত আগবাঢ়িছে । কাছাৰ জিলাত হোৱা প্ৰবল বানপানীৰ ফলত বিধ্বস্ত হোৱা বাট-পথ সমূহৰ মেৰামতিৰ কামত অগ্ৰাধিকাৰ দিয়া হৈছে । গঙ্গাধৰ নদীৰ ওপৰত দলং আৰু গোৱালপাৰাৰ মৰনৈত স্হাপন কৰা সৈনিক স্কুলৰ কাম সন্তোষজনকভাৱে আগবাঢ়িছে । ১৯৭৭-৭৮ চনৰ বছৰটোৰ বাবে পৰিকল্পনাত ৭.১১ কোটি টকা ধাৰ্য্য কৰা হৈছে ।

**পৰিবহন ঃ**

ৰাজ্যখনৰ সৰ্বমুঠ ৪৩৪১ কিলোমিটাৰ পথত অসম পথ পৰিবহন নিগমৰ যান-বাহন চলাচল কৰে । ১৯৭৭-৭৮ চনত আৰু ২০৮ কিলোমিটাৰ পথত পৰিবহন নিগমৰ যানবাহন চলোৱাৰ কথা ভবা হৈছে । ১৯৭৬-৭৭ চনত এই নিগমে উল্লেখযোগ্যভাৱে ইয়াৰ আয় বৃদ্ধি কৰিবলৈ সক্ষম হোৱাৰ উপৰিও আৰ্থিক দিশত কঠোৰ নিয়মানুবৰ্ত্তিতা প্ৰয়োগ কৰি সকলো অনাদায়ী ঋণ আৰু চলিত কৰ-কাটল আৰু সুত পৰিশোধ কৰাৰ লগতে অবমূল্যায়ণ (depreciation)ৰ ব্যৱস্হাও কৰিবলৈ সক্ষম হৈছে। বিভিন্ন ধৰণৰ যানবাহনৰ বৰ্ত্তমানে থকা সুবিধা আৰু ভৱিষ্যতৰ বাবে প্ৰয়োজন হ'ব পৰা পাৰিবহনিক প্ৰয়োজন সমূহ নিৰ্দ্ধাৰণ কৰাৰ অৰ্থে পৰিবহন সমীক্ষাৰ এখন আঁচনি প্ৰস্তুত কৰা হৈছে । আভ্যন্তৰীণ জল পৰিবহন বিভাগৰ অধীনত সৰ্বমুঠ ৭৪ খন জলযান আছে । গুৱাহাটীতে নিৰ্মাণ কৰা দুখন মালবাহী Ferro-Cement barges ভাৰতৰ ভিতৰতে বহুত্তমেই নহয়, এনেধৰণৰ সৰ্ব প্ৰথম জাহাজো। ১৯৭৫ চনৰ জানুৱাৰীৰ পৰা সৰ্বমুঠ ৪১০০০ মেট্ৰিক টন মালবস্তু কঢ়িওৱা হৈছে । এটা নাও নিৰ্মাণ শাখা গঠন কৰিবলৈকো স্হিৰ কৰা হৈছে ।

**বান নিয়ন্ত্ৰণ ঃ**

১৯৭৭-৭৮ চনৰ বাবে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকা আঁচনিৰ বাবে প্ৰায় ৭ কোটিতকৈ অধিক টকা ধাৰ্য্য কৰা হৈছে। বৰাক উপত্যকাত বান নিয়ন্ত্ৰণৰ কাৰণে এখন

আঁচনি যদুগত কৰা হৈছে। বান নিয়ন্ত্ৰণ শিতানৰ বেছিভাগ আঁচনিৰ কাম-কাজৰ খৰচ কেন্দ্ৰৰ পৰা দিয়া ঋণ সাহায্যৰে চলোৱা হয়।

**স্বাস্থ্য আৰু পৰিয়াল পৰিকল্পনা ঃ**

১৯৭৭-৭৮ চনৰ ভিতৰতে গুৱাহাটী মেডিকেল কলেজৰ নতুন স্থানত এটা ব্লক আৰু গুৱাহাটী মেডিকেল কলেজৰ লগতে ৫০ খন বিচনাযুক্ত এখন শিশু হাস্পিতালৰ কাম সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে। ১৯৭৭-৭৮ চনৰ ভিতৰতে আৰু দুখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, ৫৫ খন উপকেন্দ্ৰ, আৰু ৫ খন ডিচ্‌পেনচাৰী আৰু ৩০ খনকৈ বিচনা ধৰা ৩খন হস্পিতাল নিৰ্মাণ কৰাৰ কামো সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে। ভাৰত চৰকাৰে নিৰ্দিষ্ট কৰি দিয়া পৰিয়াল পৰিকল্পনাৰ সীমা ৰাজ্যখনে অতিক্ৰম কৰি গৈছে। কুষ্ঠৰোগীৰ বাবে ৩৫খন নিৰীক্ষণ শিক্ষা আৰু চিকিৎসা কেন্দ্ৰ নিৰ্মাণ কৰা হব। মেলেৰিয়া প্ৰতিৰোধৰ ক্ষেত্ৰতো অধিক গুৰুত্ব দিয়া হব। পাইপেৰে পানী যোগান ধৰা ৪৭টা আঁচনিৰ কাম চলি আছে। ৮৬৬টা নলীনাদ আৰু কুৰাৰ যোগেদি ১৪৫ খন গাওঁ উপকৃত হ'ব বুলি আশা কৰা হৈছে। ১৯৭৭-৭৮ চনৰ ভিতৰতে পূৰ্বৰে পৰা চলি-থকা আঁচনিৰ কাম সম্পূৰ্ণ হব বুলি আশা কৰা হৈছে আৰু ইয়াৰ ফলত ১০৪ খন গাঁৱৰ সৰ্বমুঠ ১.২২ লাখ জনসাধাৰণ উপকৃত হ'ব। ৪.২৫ লাখ জনসংখ্যাৰ সৰ্বমুঠ ৭৯০ খন গাঁৱক হস্তচালিত নলীনাদ আঁচনিৰ অধীনত সামৰি লোৱা হব। জনজাতীয় উপ-পৰি-কল্পনাৰ অধীনত লোৱা পানী যোগান আঁচনিয়ে ৮০,০০০ লোকক উপকৃত কৰিব। ৭টা নগৰীয়া পানী যোগান আঁচনিৰ কাম ১৯৭৭-৭৮ চনৰ ভিতৰতে সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে।

**নিয়োগ ঃ**

১৯৭৫ চনৰ ৭,৭৪,০০০ জনৰ বিপৰীতে ১৯৭৬ চনৰ জুন মাহত নিয়োগ পোৱা প্ৰাৰ্থীৰ সংখ্যা ৮,০৯,০০০ হয়গৈ। ৰাজ্যিক চৰকাৰৰ অধীনত নিয়োগৰ হাৰ যথেষ্ট বৃদ্ধি পাইছে। ১৯৭৫ চনৰ মাৰ্চ মাহলৈকে ৩ মাহত হোৱা নিয়োগৰ তুলনাত ১৯৭৬ চনৰ মাৰ্চ পৰ্য্যন্ত এই তিনি মাহত ৰাজহুৱা খণ্ডৰ শতকৰা ৫.৫ ভাগৰ ঠাইত ব্যক্তিগত খণ্ডত নিয়োগ বৃদ্ধি পায় শতকৰা ১.১৪ ভাগ। তথাপিও ১৯৭৬ চনৰ অক্টোবৰত নিয়োগ বিনিময় কেন্দ্ৰৰ বহীত কৰ্মপ্ৰাৰ্থীৰ সংখ্যা হয়গৈ, ২,০২,০০০। নিয়োগ বিনিময় কেন্দ্ৰত নাম ভৰ্ত্তি কৰা শিক্ষিত নিবনুৱাৰ সংখ্যা ১৯৭৬ চনৰ অক্টোবৰ পৰ্য্যন্ত হয়গৈ ৯৬,০৮৮ জন।

**অৰ্থনৈতিক অৱস্থা ঃ**

যোৱা বাজেট বক্তৃতাতেই মই ৰাজ্যখনৰ ক্ৰমবৰ্দ্ধমান ৰাজহুৱা ঋণৰ প্ৰতি মান-নীয় সদস্যসকলৰ দৃষ্টি আকৰ্ষণ কৰিছিলো। ১৯৭৬ চনৰ মাৰ্চ মাহত পুনৰ সংশো-ধিত ৰাজহুৱা ঋণ ৫২৬.৬৩ কোটি টকাৰ ঠাইত ১৯৭৭ চনৰ মাৰ্চ মাহৰ শেষত এই ঋণৰ বোজা ৫৫৩.৪৫ কোটি টকালৈ বৃদ্ধি পাব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। গতিকে, এই ঋণৰ পৰাই আৰ্থিক সাহায্য দিয়া বিনিয়োগ সমূহ পাৰ্য্যমানে উৎপাদনমুখী হোৱাটো প্ৰয়োজন। তদুপৰি, ৰাজহুৱা ঋণ ব্যৱস্থাৰে বৃদ্ধি কৰা সম্পদ ৰাজি অনা-উৎপাদনমূলক উদ্দেশ্যত খৰচ কৰাৰ পৰা বিৰত ৰখাৰো প্ৰয়োজন।

বাৰ্ষিক পৰিকল্পনা ঃ
১৯৭৭-৭৮

সদনৰ সম্মানিত সদস্যবৃন্দই এই কথা জানিবলৈ পাই সুখী হব যে ১৯৭৭-৭৮ চনৰ বাৰ্ষিক পৰিকল্পনাখন ১১৫.৯৭ কোটি টকাত ধাৰ্য্য কৰা হৈছে। ১৯৭৬-৭৭ ৰ ৭২.৬৬ কোটি টকাৰ পৰিকল্পনাখনতকৈ এই পৰিকল্পনাখন শতকৰা ৫৯ ভাগ ডাঙৰ। পাৰ্বত্য পৰিকল্পনাৰ বাবে পৰীক্ষামূলক অতিৰিক্ত ৬.০০ কোটি টকা আৰু কেন্দ্ৰীয় আঁচনিৰ অধীনৰ ১৪.২৯ কোটি টকা আৰু জনজাতীয় উপ-পৰিকল্পনাত ২.৬০ কোটি টকাৰ সাম্ভাব্য অতিৰিক্ত ব্যয়েৰে ১৯৭৭-৭৮ চনৰ সৰ্বমুঠ পৰিকল্পনা আবন্টন ১৩৯.০০ কোটি টকা হোৱাৰ সম্ভাৱনা বৰ্ত্তমান। বাৰ্ষিক পৰিকল্পনাখন বৃহৎ আকাৰৰ হোৱা হেতুকে ৰাজ্য চৰকাৰৰ বৰঙণিও কিছু পৰিমাণে বঢ়াই দিয়া হৈছে। ৩৯.৫৫ কোটি টকাৰ ৰাজ্যিক বৰঙণিৰ বিপৰীতে কেন্দ্ৰীয় সাহায্য স্থিৰ কৰা হৈছে ৫৬.৫৭ কোটি টকাত। ইয়াৰ ফলত স্পষ্ট হৈ পৰা ১৯.৮৫ কোটি টকাৰ ব্যৱধানটোৰ বাবেলিকা ১০ কোটি টকাৰ বিশেষ কেন্দ্ৰীয় সাহায্য পোৱাৰ আশা আছে (এই সাহায্য বিশেষকৈ বিদ্যুৎ সৰবৰাহ প্ৰকল্পৰ বাবে) আৰু বাকী খিনি টকা ৰাজ্যিক বৰঙণিৰ হাৰ বৃদ্ধি কৰি পূৰণ কৰিব লাগিব। সদনে এই কথাটো উপলব্ধি কৰিব পাৰিব যে ১৯৭৮-৭৯ চনৰ পৰিকল্পনা আবন্টন বৰ্ত্তমানতকৈও অধিক হ'ব বুলি আশা কৰা হৈছে। ৰাজ্যচৰকাৰে যথেষ্ট পৰিমাণৰ বৰঙণি যোগাবলৈ চৰকাৰে বৰ্ত্তমানতকৈ অধিক পৰিমানে নিজ সম্পদৰাজি আহৰণ কৰিব লাগিব। মাননীয় সদস্য সকলে জানিব পাৰি সুখী হব যে চাহ উদ্যোগে যথেষ্ট অগ্ৰগতি লাভ কৰিছে। মই নিশ্চিত যে চাহ উদ্যোগে ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়নত ইয়াৰ যথেষ্ট অৰিহণা যোগাব পাৰিব। চৰকাৰে পাৰ্য্যমানে সম্পদ আহৰণ কৰাটো প্ৰয়োজন হৈ পৰিছে। ১৯৭০-৭১ চনৰ পৰা ১৯৩৯ চনৰ কৃষি আয়কৰ আইনখন সংশোধন হোৱা নাই। সেয়ে, বিশেষকৈ উচ্চ আয়ৰ পৰ্য্যায়ত কৰৰ হাৰ বঢ়াবলৈ প্ৰস্তাৱ কৰা হৈছে। ৰেহায়ৰ হাৰো ৫ হেজাৰৰ পৰা ৮ হেজাৰলৈ বঢ়াবলৈ প্ৰস্তাব কৰা হৈছে। ৰেহায়ৰ পৰিমাণ বঢ়োৱাৰ ফলত কম উপাৰ্জনকাৰী সকলক সকাহ দিয়াৰ লগতে এই ব্যৱস্থাৰ ফলত অতিৰিক্ত ১.৩৭ কোটি টকা পোৱা হ'ব। ৰাজ্যখনত উৎপাদন কৰা মৰাপাটৰ সৰহ খিনিয়েই ৰাজ্যখনৰ বাহিৰলৈ পঠোৱা হয়। কেন্দ্ৰীয় বিক্ৰীকৰ আইন অনুসৰি শতকৰা ৪ ভাগ হাৰতহে কৰ দিয়া হয়। কিন্তু অসম ক্ৰয় আইন অনুসৰি লগোৱা কৰৰ হাৰ হৈছে কেৱল শতকৰা তিনি ভাগ। সেয়ে পিচৰ বিধ কৰ শতকৰা ৪ ভাগলৈ বঢ়াবলৈ প্ৰস্তাব কৰা হৈছে। এই ব্যৱস্থাৰ ফলত প্ৰায় ২০ লাখ টকা পোৱা হব বুলি আশা কৰা হৈছে। চৰকাৰে বিভিন্ন কৰ আইন বিজ্ঞানসম্মত কৰা আৰু প্ৰশাসনীয় ব্যৱস্থা উন্নত কৰাৰ বাবে বিভিন্ন কৰ আইন সংশোধন কৰাৰ কথা বিবেচনা কৰি আছে। আগতে উল্লেখ কৰাকৈ ধৰি এই সকলোবোৰ ব্যৱস্থাৰ ফলত বছৰি অতিৰিক্ত মুঠ প্ৰায় দুই কোটি টকা পোৱা হ'ব বুলি আশা কৰা হৈছে।

১৯৭৫-৭৬ চনৰ হিচাপ ঃ

৭.৫৭ কোটি টকাৰ আৰম্ভণি উদ্বৃত্তৰ বিপৰীতে প্ৰায় ১৪.২০ কোটি টকাৰ ঋণাত্মক উদ্বৃত্তৰে সৈতে ১৯৭৫-৭৬ ৰ হিচাপৰ সামৰণি পৰে। ৰাজহ আয় সংশোধিত নিৰ্দ্ধাৰণতকৈ প্ৰায় ১৯ কোটি টকা বৃদ্ধি পায়। এই বৃদ্ধি ঘাইকৈ হয় কৃষি আয়কৰ (৮.৯৫ কোটি টকা), বিক্ৰী কৰ (৩.৯০ কোটি টকা), কেন্দ্ৰীয় আবকাৰী শুল্কৰ অংশ (০.৯০ কোটি টকা) আৰু অন্যান্য কৰবিহীন ৰাজহৰ পৰা (১.৮৯ কোটি টকা)।

ৰাজহ ব্যয়ো সংশোধিত নিৰ্দ্ধাৰণতকৈ কম পৰিমাণৰ হৈছে। ঘাইকৈ সাধাৰণ সেৱা (২.০২ কোটি টকা), শিক্ষা (৩.২৭ কোটি টকা) আৰু সমূহীয়া উন্নয়ন আঁচনিত (১.০৭ কোটি টকা) ব্যয় কৰ্ত্তন কৰাৰ বাবেই এইটো সম্ভৱপৰ হৈ উঠিছে।

**১৯৭৬-৭৭ চনৰ সংশোধিত প্ৰাক্কলন:**

১৯৭৬-৭৭ চনত ৰাজহ আয় প্ৰায় ১৮.৩২ কোটি টকা বৃদ্ধি হোৱাৰ আশা কৰা হৈছে। কৃষি আয়কৰ (৬.৭০ কোটি টকা), তেলৰ ৰয়েলটি (৬.৩০ কোটি টকা), বিক্ৰী কৰ (৩.৭৫ কোটি টকা) আৰু কেন্দ্ৰীয় আবকাৰী শুল্ক অংশৰ (১.৩৪ কোটি টকা) পৰা পোৱা অতিৰিক্ত আয়ৰ বাবেই ঘাইকৈ এই বৃদ্ধি পাইছে। অতিৰিক্ত মৰগীয়া বানচ আৰু নগৰ উন্নয়ন আঁচনিৰ কাৰণেই ঘাইকৈ ৰাজহ ব্যয় প্ৰায় ১০ কোটি টকা বৃদ্ধি পাইছে বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। ৬৫.২৯ কোটি টকাৰ বাজেট নিৰ্দ্ধাৰণৰ বিপৰীতে মূলধন আয় প্ৰায় ৫৭ কোটি টকা হ'ব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। মূলধন ব্যয় প্ৰায় ৭৩ কোটি টকা হ'ব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। ইয়াৰ ফলত প্ৰায় ১৬ কোটি টকা ঘাটি হব। আমি ভাৰতীয় ৰিজাৰ্ভ বেংকৰ অৰ্থোপায়ৰ অগ্ৰিম লোৱাৰ প্ৰয়োজন বোধ নকৰিলো আৰু ইয়াৰ ফলতে মূলধন আয় কম হ'ল। সংশোধিত প্ৰাক্কলনত বছৰটোৰ আৰম্ভণিতে থকা ঘাটি উদ্বৃত্ত সম্পূৰ্ণ ৰূপে পূৰণ হোৱাৰ উপৰিও ৰাহি হ'ব বুলি আশা কৰা হৈছে আৰু বছৰটো ১১.৯৮ লাখ টকাৰ ৰাহি উদ্বৃত্তৰে শেষ হ'ব বুলি অনুমান কৰা হৈছে যিটো ১৯৭৭-৭৮ ৰ বাজেট প্ৰাক্কলনৰো আৰম্ভণিৰ উদ্বৃত্ত হ'ব।

**১৯৭৭-৭৮ চনৰ বাজেট প্ৰাক্কলন:**

১৯৭৭-৭৮ চনত ৰাজহ আয় ২৩২.৩৬ কোটি টকালৈ বাঢ়িব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে আৰু ৰাজহ ব্যয় ২১১.৩৫ কোটি টকাত নিৰ্দ্ধাৰণ কৰা হৈছে। ফলত ৰাজহ হিচাপত ২১.০১ কোটি টকা ৰাহি হব। মূলধন আয় ৭৭.৮১ কোটি টকা আৰু মূলধন ব্যয় ১০৫.২৪ কোটি টকা হব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। ৰাজহ হিচাপৰ ৰাহিৰৰ ২০.৮৯ কোটি টকাৰ ঘাটি প্ৰাক্কলন সামৰি লবলৈ ২১.০১ কোটি টকাৰ ৰাজহ ৰাহিয়েই যথেষ্ট হব। ১৯৭৭-৭৮ চনৰ বছৰটো ২৪.২৯ লাখ টকাৰ উদ্বৃত্তৰে সামৰণি পৰাৰ আশা আছে।

**মৰগীয়া বানচ:**

সা-সামগ্ৰীৰ অতিমাত্ৰা চৰা দামৰ হেতুকে চৰকাৰী চাকৰিয়াল আৰু সাহায্যপ্ৰাপ্ত শিক্ষানুষ্ঠানৰ কৰ্ম্মচাৰী সকলক কিছু সকাহ দিবৰ উদ্দেশ্যে চৰকাৰ উদ্বিগ্ন হৈ পৰা কথাটো যোৱা বছৰৰ বাজেট বক্তৃতাতে মই উল্লেখ কৰিছিলো। দুৰ্ভাগ্যৰ কথা যে এনে সাহায্য দিওঁতে পুঁজিৰ সৰহ ভাগ ধনেই শেষ হৈ যায়। এনে সাহায্য কেৱল অনা উৎপাদনশীলেই নহয়, ই মূল্য বৃদ্ধিতো সহায় কৰে। ইয়াৰ ফলত যি এটা বিষাক্ত পৰিস্থিতিৰ সৃষ্টি হয় তাক বন্ধ কৰাও কঠিন। অন্যান্য দিশত সম্পদৰ অতীৱ প্ৰয়োজনীয়তা থকা সত্বেও চৰকাৰৰ নিম্ন বেতন ভোগী চাকৰিয়াল সকলক অধিক সকাহ দিবৰ উদ্দেশ্যে তদৰ্থ ভিত্তিত মৰগীয়া বানচ দিয়াৰ সিদ্ধান্ত ১৯৭৬ চনৰ চেপ্তেম্বৰ মাহত লোৱা হয়। কৰ্ম্মচাৰী সকলৰ নিম্ন বেতন ভোগী সকলক সমানুপাতিক ভাৱে উচ্চতৰ অতিৰিক্ত মৰগীয়া বানচ ১৯৭৬ চনৰ চেপ্তেম্বৰ মাহতে দিয়া হয়। মৰগীয়া বানচৰ এই তদৰ্থ বৃদ্ধি

সম্পূর্ণৰূপে যথেষ্ট নহব পাৰে বুলি চৰকাৰে উপলব্ধি কৰে যদিও সদনে এই কথা উপলব্ধি কৰিব যে আনকি এই সিদ্ধান্ত মতেই ৰাজ্য চৰকাৰৰ বছৰি ৩.৪০ কোটি টকা ব্যয় হব। চৰকাৰী চাকৰিয়াল আৰু সাহায্যপ্ৰাপ্ত শিক্ষানুষ্ঠানসমূহৰ কৰ্ম্মচাৰী সকলক প্ৰত্যক্ষ বা পৰোক্ষ ভাবে সাহায্য দান সম্দৰ্ভত উত্থাপিত প্ৰস্তাৱৰ বেলিকা চৰকাৰে সদায় সহানুভূতিৰে বিবেচনা কৰিব আৰু কেতবোৰ অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধিৰ পৰা অতি কমেও কম দৰমহা পোৱা চাকৰিয়াল সকলক কিছুপৰিমাণে সকাহ দিবলৈ কিছু ব্যৱস্থা লব পাৰিবনেকি সেই কথাটো বিবেচনা কৰাটো প্ৰয়োজন হ'ব ।

মাননীয় সদস্যসকলে কঠিন বিত্তীয় অৱস্থা আৰু বিভিন্ন শ্ৰেণীৰ লোকৰ বিশেষকৈ জীৱিকাৰ কোনো নিৰাপত্তা নোহোৱা নাইবা কম নিৰাপত্তা থকা বিভিন্ন সম্প্ৰদায়ৰ অধিক দুৰ্ভগীয়া লোকৰ প্ৰতি থকা চৰকাৰৰ দায়িত্বৰ কথা নিঃসন্দেহে উপলব্ধি কৰিব । ৰাজ্যখনৰ অনগ্ৰসৰ অঞ্চলত গাঁথনিগত সা-সুবিধা বঢ়োৱাৰো চৰকাৰৰ দায়িত্ব আছে। সেয়ে — অকল নিৰ্দ্দিষ্ট শ্ৰেণীসমূহৰ লোকক অৰ্থ সাহায্য দিয়াৰ পৰিবৰ্ত্তে অৰ্থনীতিৰ উৎপাদনী ভেটি শক্তিশালী কৰিবলৈ সম্পদৰাজি খটুৱাটো সদো শেষত গৈ অধিক ফলপ্ৰসূ হবনে নহয় সেই কথাটোও আমি সকলোৱে গভীৰ ভাৱে বিবেচনা কৰা দৰকাৰ। চৰকাৰী চাকৰিয়াল আৰু সাহায্যপ্ৰাপ্ত শিক্ষানুষ্ঠানৰ কৰ্ম্মচাৰী সকলে ভোগ কৰা অভাৱ-অনাটনৰ বাবে চৰকাৰৰ হৈ মই আমাৰ গভীৰ সহানুভূতি প্ৰকাশ কৰাৰ লগতে সমূহ জনসাধাৰণৰ লগতে তেওঁলোকৰো সমস্যাৱলী স্থায়ীভাৱে নিৰাময় কৰিব পৰা উন্নয়নমূলক আঁচনিসমূহ কাৰ্য্যকৰীকৰণত অন্তঃকৰণেৰে সৈতে অংশ লবলৈ আহবান জনালো।

**সামৰণি ঃ**

সদনে এই কথা স্বীকাৰ কৰিব যে বহুল ব্যয় সম্পন্ন বৃহৎ আকাৰৰ অত্যাধুনিক আঁচনি হাতত লোৱাৰ বাবে সমৰ্থ কৰি তুলিবলৈ বৰ্ত্তমানৰ প্ৰশাসনীয় ব্যৱস্থা, নীতি আৰু প্ৰণালী সমূহৰো অবিৰাম পৰিবৰ্ত্তনৰ প্ৰয়োজন। মিতব্যয়িতা আৰু দক্ষতা উভয় ক্ষেত্ৰতে কৰ্ম্মচাৰী আৰু প্ৰশাসনৰ উৰ্দ্ধৰ পদবীসমূহ বিজ্ঞানসম্মত কৰাটো প্ৰয়োজনীয় কথা। প্ৰশাসনীয় সংস্কাৰ কমিটীয়ে এই দিশত চেষ্টা চলাই আহিছে। ৰাজহুৱা খণ্ডই যথেষ্ট ৰাজহুৱা পুঁজি ব্যৱহাৰ কৰিছে। এই পুঁজিৰ সৰহখিনি ধনেই বিশেষকৈ ঋণৰ পৰা পোৱা। ৰাজহুৱা প্ৰতিষ্ঠান সমূহৰ তত্বাৱধান কৰিবলৈ আৰু ইয়াৰ কাম-কাজ নিৰীক্ষণ কৰিবলৈ চৰকাৰে ৰাজহুৱা প্ৰতিষ্ঠানসমূহৰ বাবে এটা আচুতীয়া বিভাগ খুলিছে। বিভিন্ন ৰাজহুৱা প্ৰতিষ্ঠানৰ কাম-কাজৰ মাজত সমন্বয় সাধন কৰিবলৈ আৰু ইয়াৰ কাম-কাজৰ তদাৰক আৰু ইয়াৰ প্ৰতি লক্ষ্য ৰাখিবলৈ এই বিভাগক দায়িত্ব দিয়া হৈছে। কেতবোৰ প্ৰতিষ্ঠানৰ কাম-কাজ বিস্তৃত ভাৱে পৰীক্ষা কৰি ইয়াৰ প্ৰতিবিধানমূলক ব্যৱস্থাৰ পৰামৰ্শ দিবলৈ টাস্ক ফৰ্চ গঠন কৰা হৈছে। তেনে প্ৰতিষ্ঠান সমূহত বিনিয়োগ কৰা ধন যাতে অতি সোনকালে ফলপ্ৰসূ হয় আৰু প্ৰয়োজনীয় ৰাহিৰো সৃষ্টি কৰিব পাৰে তাৰ প্ৰতি চৰকাৰে অহৰহ প্ৰচেষ্টা চলাব। উচ্চ মূলধনী বিনিয়োগ থকা প্ৰস্তাৱসমূহ একত্ৰিত ভাৱে ব্যৱসায়িক মূল্যায়ণ কৰাৰ বাবে ১৯৭৬ চনৰ চেপ্তেম্বৰ মাহত এটা ৰাজহুৱা বিনিয়োগ বৰ্ড গঠন কৰা হৈছে। এই বৰ্ডে ২৫ লাখতকৈ অধিক টকা বিনিয়োগ কৰা প্ৰস্তাৱ সমূহ নিষ্পত্তি কৰিব। মই ইতিমধ্যে শিক্ষা বিভাগত বৃত্তি আৰু দৰমহা খৰতকীয়াকৈ দিয়াৰ দিহা কৰাৰ কথা উল্লেখ কৰিছো। এই বিষয়ত হিচাপ ৰখাৰ প্ৰণালীও পাৰ্য্যমানে সহজ আৰু সৰল কৰাৰো প্ৰচেষ্টা চলোৱা হব। কেন্দ্ৰত হিচাপ ৰখা বিভাগৰ পৰা হিচাপ পৰীক্ষা বিষয়টো পৃথক কৰাৰ লগে লগে ৰাজ্যখনতো তেনে ব্যৱস্থা লোৱা হবনে নহয়

সেই সমস্যাই দেখা দিছে। চৰকাৰে ভাবে যে নিৰ্বাচিত ধৰণে তথ্য বিশ্লেষণ কৰাৰ আধুনিক পদ্ধতি গ্ৰহণৰ লগতে এই প্ৰশ্নটো বিচাৰ কৰি চোৱাটো উচিত হব। বিশেষজ্ঞ প্ৰতিষ্ঠানৰ সহায়ত কৰ-কাটল আৰু ৰাজহুৱা বিত্ত সম্পৰ্কে আইন, বিধি, প্ৰশাসনীয় ব্যৱস্থা আদিৰো ব্যাপক সমীক্ষা কৰাটো প্ৰয়োজন হব। এইটো কথাও ভবা হৈছে যে চৰকাৰী বিষয়া সকলক বিভিন্ন দিশত পৰিচালনাৰ আধুনিক নীতি সম্পৰ্কে প্ৰশিক্ষণ দিয়াটো উচিত কাম হব, কিয়নো ইয়াৰ ফলত তেওঁলোকৰ দক্ষতা আৰু উৎপাদনশীলতা বৃদ্ধি পাব। সেয়েহে এটা ব্যাপক প্ৰশিক্ষণ আঁচনি হাতত লব খোজা হৈছে আৰু এই উদ্দেশ্যৰে এটা প্ৰশাসনীয় প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন কৰিবলৈ লোৱা হৈছে। ইতিপূৰ্বে মই উদ্যোগসমূহক দিব লগীয়া প্ৰেৰণা সম্পৰ্কে লোৱা নীতিৰ সম্যক পৰ্য্যালোচনা দাঙি ধৰিছো। মই এই কথাও উল্লেখ কৰিছিলো যে বিভিন্ন বিশেষজ্ঞ সংস্থাৰ চুপাৰিশসমূহ ভালকৈ চালি জাৰি চাই চৰকাৰে সাধাৰণ ভাবে গ্ৰাম্য উন্নয়ন বিশেষকৈ গ্ৰাম্য ঋণ সম্পৰ্কে এক সুচিন্তিত গাঠনি উদ্ভাৱন কৰিব। বৰ্ত্তমানে এই ক্ষেত্ৰত বিভিন্ন ধৰণৰ আঁচনি চলি আছে। ভালকৈ বিশ্লেষণ কৰাৰ পিচত ইয়াৰ পৰা লাভ কৰা শিক্ষা একত্ৰিত কৰাটো প্ৰয়োজন হব।

মাননীয় সদস্যসকলৰ সহযোগত দৰিদ্ৰতা দূৰীকৰণ আৰু সামাজিক আৰু অৰ্থনৈতিক উন্নতি সাধনৰ বাবে বিভিন্ন নীতি আৰু ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰচেষ্টা হাতত লৈছো। চৰকাৰে জানে যে এই গুৰুত্বপূৰ্ণ বিষয় সমূহত দৃষ্টিভংগী আৰু মত একে হব নোৱাৰে। এই বিষয়সমূহত সকলোৰে জানিব পৰাকৈ পূৰ্ণ আলোচনা হোৱাৰ পৰিপ্ৰেক্ষিতত এইটো আশা কৰিব পাৰি যে অত্যাৱশ্যকীয় নীতি আৰু আঁচনি সমূহৰ ক্ষেত্ৰত ইয়াৰ কাম-কাজ ক্ষীপ্ৰতৰ কৰাৰ বাবে সকলো শ্ৰেণীৰ লোকে সহযোগিতা আগবঢ়াব। বহুল ভিত্তিত সমূহীয়া ভাবে প্ৰচেষ্টা চলাব পৰা মৌলিক নীতিসমূহ হল—

১। উৎপাদন আৰু উৎপাদনশীলতাৰ খৰতকীয়া বৃদ্ধি,

২। অৰ্থনৈতিক ক্ষেত্ৰত দুৰ্বল শ্ৰেণীসমূহৰ ভোগ্য পৰ্য্যায়ৰ উন্নয়ন আৰু ধনীক শ্ৰেণীৰ লোকৰ ভোগ্যৰ ওপৰত বাধা আৰোপণ।

৩। সঞ্চয় বৃদ্ধিকৰণ।

৪। উৎপাদনমুখী বিনিয়োগত সঞ্চয়ৰ ধন খটুওৱা।

৫। গৱেষণা আৰু প্ৰশিক্ষণ আদিৰে উৎপাদনশীলতা বৃদ্ধি কৰা।

৬। জনসংখ্যা বৃদ্ধি ৰোধ কৰা।

আমাৰ সন্মুখত থকা বৃহৎ কামৰ প্ৰতি লক্ষ্য কৰিলে ব্যক্তিগত ভাবে আমাৰ প্ৰত্যেকৰে সামৰ্থ দুৰাচলতে অতি নগণ্য। আমি যদি ভৱিষ্যতৰ ফালে লক্ষ্য কৰো তেনেহলে আমি সকলোৱে সমূহীয়াকৈ কাম কৰিলেহে যথেষ্ট প্ৰগতি লাভ কৰাটো সম্ভৱ হব। মই চৰকাৰৰ হৈ সকলো মাননীয় সদস্যকে এই সমূহীয়া প্ৰচেষ্টাত হাত মিলাবলৈ সানুনয়ে অনুৰোধ কৰো।

ইয়াকে কৈ মই ১৯৭৭-৭৮ চনৰ বাৰ্ষিক বিত্তীয় বিৱৰণী সম্মানিত সদনত বিবেচনা আৰু সন্মতিৰ কাৰণে দাখিল কৰিলো।

# পৰিশিষ্ট —ক

(লাখ টকাৰ হিচাপত)

| প্ৰকৃত | বাজেট প্ৰাক্কলন | সংশোধিত প্ৰাক্কলন | শিতান | বাজেট প্ৰাক্কলন |
|---|---|---|---|---|
| ১৯৭৫-৭৬ | ১৯৭৬-৭৭ | ১৯৭৬-৭৭ | | ১৯৭৭-৭৮ |
| (১) | (২) | (৩) | (৪) | (৫) |

## ক—আয়

| | | | | |
|---|---|---|---|---|
| ৭,৫৭·২১ | ৪,০৬·৯৪ | (—) ১৪,১৯·৬৩ | আৰম্ভণিৰ উদ্বৃত্ত | + ১১·৯৮ |
| ২০২,০০·৬৮ | ১৮৭,৫৫·২৬ | ২০৫,৮৬·৮২ | ৰাজহ আয় | ২৩২,৩৬·৬৬ |
| ৫১,০৬·২২ | ৬৫,২৯·১১ | ৫৬,৯৯·৮৬ | মূলধন আয় | ৭৭,৮১·৬৯ |
| ১১,১৪·৫০ | ৩,৩৩·৫৪ | ৮,২৬·৯১ | আকস্মিক নিধিৰ আয় | ১,৮৪·৮৫ |
| ৯৭৪,৮৬·৫৬ | ১৫৯,২৯·১৫ | ২৫২,৫৮·৩০ | ৰাজহুৱা হিচাবৰ অধীনৰ আয় | ২২২,৮১·০২ |
| ১২৩৯,০৭·৯৬ | ৪১৫,৩৯·০৬ | ৫২৩,৭১·৮৯ | মুঠ আয় | ৫৩৪,৮৪·০২ |
| ১২৪৬,৬৫·১৭ | ৪১৯,৪৬·০০ | ৫০৯,৫২·২৬ | সৰ্ব্বমুঠ | ৫৩৪,৯৬·০০ |

| প্ৰকৃত | বাজেট প্ৰাক্কলন | সংশোধিত প্ৰাকলন | শিতান | বাজেট প্ৰাকলন |
|---|---|---|---|---|
| ১৯৭৫-৭৬ | ১৯৭৬-৭৭ | ১৯৭৬-৭৭ | | ১৯৭৭-৭৮ |
| (১) | (২) | (৩) | (৪) | (৫) |

## খ—ব্যয়

| | | | | |
|---|---|---|---|---|
| ১৭৯,৩৬·২৩ | ১৮৯,৫৬·৩৭ | ১৯৯,৩৮·৫৯ | ৰাজহ শিতানৰ ব্যয় | ২১১,৩৪·৮৬ |
| ৫৪,৯৯·৭৭ | ৭৩,৩৪·২৩ | ৭৩,৪২·১৫ | মূলধন ব্যয় | ১০৫,২৩·৩৬ |
| ১০,২৬·৯১ | | ৬,৮৪·৮৫ | আকস্মিক নিধিৰ ব্যয় | |
| ১০১৬,২১·৮৯ | ১৫৬,৩৫·৭০ | ২২৯,৭৪·৬৯ | ৰাজহৰা হিচাপৰ পৰা হোৱা ব্যয় | ২১৮,১৩·১৯ |
| ১২৬০,৮৪·৮০ | ৪১৯,২৬·৩০ | ৫০৯,৪০·২৮ | মুঠ ব্যয় | ৫৩৪,৭১·৭১ |
| (—) ১৪,১৯·৬৩ | (+) ১৯.৭০ | (+) ১১.৯৮ | সাধাৰণ উদ্বৃত্ত | (+) ২৪.২৯ |
| ১২৪৬,৬৫·১৭ | ৪১৯,৪৬·০০ | ৫০৯,৫২·২৬ | সৰ্ব্ব মুঠ | ৫৩৪,৯৬·০০ |

## প্ৰকৃত ফলাফল

ঘাটি (—) বাহি (+)

| | | | | |
|---|---|---|---|---|
| (+) ২২,৬৪·৪৫ | (—) ২,০১·১১ | (+) ৬,৪৮·২৩ | ৰাজহ হিচাপ | (+) ২১,০১·৬০ |
| (—) ৪৪,৪১·২৯ | (—) ১,৮৬·১৩ | (+) ৭,৮৩·৩৮ | ৰাজহ হিচাপৰ বাহিৰৰ | (—) ২০,৮৯·২৯ |
| (—) ২১,৭৬·৮৪ | (—) ৩,৮৭·২৪ | (+) ১৪,৩১·৬১ | মুঠ ঘাটি বা বাহি | (+) ১২·৩১ |

১৯৭৭-৭৮ চনব বাৰ্ষিক পবিকল্পনাব খণ্ড অনুসবি বণ্টন

(লাখ টকাব হিচাপত)

| উন্নয়নব শিতান | সাধাবণ পবিকল্পনা | জনজাতীয় উপ-পবিকল্পনা * | পাৰ্ব্বত্য পবি-কল্পনা | মুঠ |
|---|---|---|---|---|
| (১) | (২) | (৩) | (৪) | (৫) |
| কৃষি .... | ৫,২০'০০ | ১,১০'০০ | ১,১১'০০ | ৭,৪১'০০ |
| ক্ষুদ্র জলসিঞ্চন .. | ৪,৪০'০০ | ২,০০'০০ | ৬০'০০ | ৭,০০'০০ |
| ভূমি সংবক্ষণ .... | ২৪'০০ | ৪১,০০ | ১,৯৫'০০ | ২,৬০'০০ |
| কমাণ্ড এলেকাব উন্নয়ণ .... | ২৫'০০ | | .... | ২৫'০০ |
| পশুপালন অৰু দুগ্ধশলা | ১,৮৫'০০ | ২০'০০ | ৪০'০০ | ২,৪৫'০০ |
| মীন .... | ৫৫'০০ | ১০'০০ | ১১'০০ | ৭৬'০০ |
| বনাঞ্চল .... | ২,০০'০০ | .... | ৪৩'০০ | ২,৪৩,০০ |
| ভড়াল অৰু গুদামঘব .... | ১৪'০০ | .... | .... | ১৪'০০ |
| সমবায় .... | ২,১৪'০০ | ৫৬'০০ | ৩৫'০০ | ৩,০৫'০০ |
| সমূহীয়া উন্নয়ণ .... | ৩৩'০০ | ৫'০০ | ৫'০০ | ৪৩'০০ |
| পঞ্চায়ত .... | ৪২'০০ | .... | ১'০০ | ৪৩'০০ |
| ভূমি সংস্কাব .... | ১,০৩'০০ | .... | ১৫'০০ | ১,১৮'০০ |
| কৃষি আৰু আনুসঙ্গিক খণ্ড | ১৮,৫৫'০০ | ৪,৪২'০০ | ৫,১৬'০০ | ২৮,১৩'০০ |
| জলসিঞ্চন .... | ৭,৩০'০০ | .... | ৫০'০০ | ৭,৮০'০০ |
| বান নিয়ন্ত্ৰণ .... | ৩,৭১'০০ | .... | ৮'০০ | ৩,৭৯'০০ |
| বিজুলী শক্তি .... | ৪৭,৪৫'০০ | ৪৫'০০ | ১,৫০'০০ | ৪৯,৪০'০০ |
| ২। জলসিঞ্চন আৰু বিজুলী শক্তি | ৫৮,৪৬'০০ | ৪৫'০০ | ২,০৮'০০ | ৬০,৯৯'০০ |

( লাখ টকাৰ হিচাপত )

| উন্নয়নৰ শিতান | সাধাৰণ পৰিকল্পনা | জনজাতীয় উপ-পৰিকল্পনা | পাৰ্ব্বত্য পৰিকল্পনা | মুঠ |
|---|---|---|---|---|
| (১) | (২) | (৩) | (৪) | (৫) |
| বৃহৎ আৰু মজলীয়া উদ্যোগ | ১,৭২·০০ | .... | ৩১·০০ | ২,০৩·০০ |
| খনিজ উন্নয়ণ | ৪৭·০০ | .... | ১১·০০ | ৫৮·০০ |
| গ্ৰাম্য আৰু ক্ষুদ্ৰ উদ্যোগ | ১,৪৯·০০ | ৪৬·০০ | ৯৪·০০ | ২,৮৯·০০ |
| ৩। উদ্যোগ আৰু খনি | ৩,৬৮·০০ | ৪৬·০০ | ১,৩৬·০০ | ৫,৫০·০০ |
| আলিবাট .... | ৪,৯০·০০ | ৬০·০০ | ১,৮০·০০ | ৭,৩০·০০ |
| পথ পৰিবহণ .... | ১,১৩·০০ | .... | ৬·০০ | ১,১৯·০০ |
| অন্যান্য পৰিবহণ .... | ৪৪·০০ | .... | .... | ৪৪·০০ |
| পৰ্য্যটন .... | ৩·০০ | .... | ৩·০০ | ৬·০০ |
| ৪। পৰিবহন আৰু যাতায়ত | ৬,৫০·০০ | ৬০·০০ | ১,৮৯·০০ | ৮,৯৯·০০ |
| সাধাৰণ শিক্ষা .... | ৫,৬২·০০ | ৫০·০০ | ৪৮·০০ | ৬,৬০·০০ |
| কলা আৰু সংস্কৃতি .... | ২৫·০০ | .... | ১·০০ | ২৬·০০ |
| কাৰিকৰী শিক্ষা .... | ৫৯·০০ | .... | ৬·০০ | ৬৫·০০ |
| স্বাস্থ্য .... | ২,২৬·০০ | ৩১·০০ | ৪৫·০০ | ৩,০২·০০ |
| পুষ্টি সাধন .... | ৩০·০০ | ৬·০০ | ৬·০০ | ৪২·০০ |
| পানী যোগান আৰু নৰ্দ্দমা প্ৰণালী | ২,০০·০০ | ৪৮·০০ | ৪৮·০০ | ২,৯৬·০০ |
| গৃহ .... | ৫০·০০ | ৪·০০ | ৬·০০ | ৬০·০০ |
| গৃহ নিৰ্ম্মাণ .... | ৪০·০০ | .... | .... | ৪০·০০ |
| চহৰ উন্নয়ণ .. | ১৯·০০ | .... | ৪·০০ | ২৩·০০ |

( লাখ টকাৰ হিচাপত )

| উন্নয়ণৰ শিতান | সাধাৰণ পৰিকল্পনা | জনজাতীয় উপ পৰিকল্পনা | পাৰ্ব্বত্য পৰি-কল্পনা | মুঠ |
|---|---|---|---|---|
| (১) | (২) | (৩) | (৪) | (৫) |
| পৌৰ প্ৰশাসন .... | .... | .... | .... | .... |
| পিছপৰা শ্ৰেণীৰ কল্যাণ সাধন | ১,২৫'০০ | | .... | ১,২৫'০০ |
| সমাজ কল্যাণ .... | ৮'০০ | .... | ২'০০ | ১০'০০ |
| শ্ৰম আৰু শ্ৰম কল্যাণ .... | ১১'০০ | ২'০০ | ৭'০০ | ২০'০০ |
| ৫। সমাজ সেৱা .... | ১,৩৫,৫'০০ | ১,৪৯'০০ | ১,৭৩'০০ | ১৬,৬৯'০০ |
| ওজন আৰু জোখ মাখ | ৬'০০ | .... | .... | ৬'০০ |
| পৰিসংখ্যা .... | ৮'০০ | .... | .... | ৮'০০ |
| তথ্য আৰু জনসংযোগ .... | ৭'০০ | .... | .... | ৭'০০ |
| মুল্যাঙ্কন ব্যৱস্থা .... | ৭'০০ | .... | ৪'০০ | ১১'০০ |
| অন্যান্য .... | .... | .... | ২'০০ | ২'০০ |
| প্ৰশাসনীয় ভৱন .... | ২০'০০ | .... | ১০'০০ | ৩০'০০ |
| মুদ্ৰন আৰু লেখন সামগ্ৰী | ৩'০০ | .... | .... | ৩'০০ |
| বিবিধ .... | ৫১'০০ | .... | ১৬'০০ | ৬৭'০০ |
| সৰ্ব্বমুঠ .... | ১০১,২৫'০০ | ৭,৩৪'০০ | ১২,৩৮'০০ | ১,২০,৯৭'০০ |

* জনজাতীয় উপ-পৰিকল্পনাত সম্ভাব্য অতিৰিক্ত বণ্টনৰ ২'৬০ কোটি টকা নধৰাকৈ